**আয়ুক্ত, মাদ্ৰাজ নিগম**

**বনাম**

**মাদ্ৰাজ নিগমৰ শিক্ষকসকলৰ সন্মিলিত মঞ্চ (মান্দ্ৰাম) আৰু অন্যান্য**

**8 নৱেম্বৰ, 1996**

**[ন্যায়াধীশ কে. ৰামাস্বামী আৰু ন্যায়াধীশ জি.বি. পট্টনায়ক]**

*সেৱা আইনঃ*

*পদ সৃষ্টি আৰু তাৰ বাবে অৰ্হতা নিৰ্ধাৰণ কৰা - নিৰ্দেশ দিয়াৰ বাবে আদালতৰ ক্ষমতা - এটা পদ সৃষ্টি কৰা বা তাৰ বাবে অৰ্হতা নিৰ্ধাৰণ কৰাটো চৰকাৰৰ আইনী বা কাৰ্যবাহী নীতি - আদালত বা ন্যায়াধিকৰণ এনে নিৰ্দেশনা দিবলৈ ক্ষমতাৰহিত।*

দেৱানী আপীল ক্ষেত্ৰাধিকাৰ: দেৱানী আপীল নং 15074 - 75 /1996.

অ. এ. নং 708/1993 সন্দৰ্ভত তামিলনাডু প্ৰশাসনিক ন্যায়াধিকৰণ, মাদ্ৰাজৰ 2.8.94 তাৰিখৰ ৰায় আৰু আদেশৰ পৰা।

আপীলকাৰীৰ হৈ আৰ. মোহন, আৰ. নেদুমাৰন, ভি. জি. প্ৰগাসন আৰু শ্ৰীমতী পুষ্প ৰাজন।

প্ৰতিবাদীসকলৰ হৈ নবীন আৰ. নাথ আৰু এছ.আৰ. ভাট।

ন্যায়ালয়ৰ দ্বাৰা নিম্নলিখিত আদেশ প্ৰদান কৰা হয়:

অনুমতি প্ৰদান।

1994 চনৰ 2 আগষ্টত অ. এ. নং 708/93 আৰু 1685/93-ত গৃহীত তামিলনাডুৰ প্ৰশাসনিক ন্যায়াধিকৰণৰ নিৰ্দেশৰ বিৰুদ্ধে বিশেষ অনুমতিৰ জৰিয়তে এই আপীলসমূহ উত্থাপন হয়। আবেদনকাৰী-নিগমে শিক্ষা বিষয়া নিযুক্তিৰ ক্ষেত্ৰত দ্বৈত নীতি গ্ৰহণ কৰিছিল - হয় অধীনস্থ কেডাৰৰ পৰা পদোন্নতিৰ জৰিয়তে অথবা চৰকাৰী সেৱাৰ পৰা প্ৰতিনিধিৰ নিযুক্তিৰ জৰিয়তে। এনে লাগে যে শিক্ষা বিষয়াৰ পদটো উপ-সঞ্চালক পদলৈ উন্নীত কৰা হৈছিল আৰু তেওঁলোকে নিগমৰ শৈক্ষিক মানদণ্ডৰ তত্বাৱধানৰ বাবে উপ-সঞ্চালকৰ পদ পূৰণ কৰিবলৈ এজন চৰকাৰী বিষয়াৰ বদলিৰ জৰিয়তে নিযুক্তি বিচাৰিছিল।প্ৰতিবাদী-ইউনিয়নে আবেদনকাৰীৰ উক্ত পদক্ষেপক ন্যায়াধিকৰণত প্ৰত্যাহ্বান জনায়। ন্যায়াধিকৰণে নিগমৰ ক্ষমতা বজাই ৰাখি এইদৰে নিৰ্দেশ দিছিলঃ

> “সেয়েহে, নিগমৰ কেডাৰত জিলা শিক্ষা বিষয়াৰ সমতুল্য পদ এটা সৃষ্টি কৰিব লাগে য'ত নিগমৰ কেডাৰৰ পৰা ব্যক্তি নিযুক্তি দিব পৰা যাব আৰু এনে ব্যক্তিসকলক নিম্নতম সময়ৰ অভিজ্ঞতাৰ পিছত মুখ্য শিক্ষা বিষয়াৰ পদবীৰ পৰ্য্যায়ৰ উচ্চ পদলৈ উন্নীত হোৱাৰ বাবে বিবেচনা কৰিব পৰা যাব, যি পদবীৰ অধীনত নিগমৰ শিক্ষা বিভাগসমূহৰ সামগ্ৰিক দায়িত্ব থাকিব।"

এই নিৰ্দেশৰ বিৰুদ্ধে ক্ষুব্ধ হৈ এই আপীল দাখিল কৰা হৈছে। নিগমৰ বিদ্বান জ্যেষ্ঠ অধিবক্তা শ্ৰী আৰ মোহনে দাবী কৰিছে যে পদ সৃষ্টি আৰু অৰ্হতা নিৰ্ধাৰণ কৰাটো চৰকাৰৰ আইনী নীতি বা চৰকাৰৰ কাৰ্যবাহী নীতি। ন্যায়াধিকৰণে পদ এটা সৃষ্টি কৰাৰ নিৰ্দেশনা দিব নোৱাৰে বা এই পদত অধিষ্ঠিত হ'বলৈ প্ৰাৰ্থীৰ প্ৰয়োজনীয় অৰ্হতা নিৰ্ধাৰণ কৰিব নোৱাৰে। আমি দেখিছো যে যুক্তিতো বলিষ্ঠ।

প্ৰতিবাদীসকলৰ বিদ্বান জ্যেষ্ঠ অধিবক্তাই উক্ত যুক্তিৰ যথাযোগ্য প্ৰত্যুত্তৰ দিব নোৱাৰিলে যদিও তেওঁ এই নিৰ্দেশটো এই ভিত্তিত বজাই ৰাখিবলৈ বিচাৰিছিল যে বদলিৰ দ্বাৰা নিযুক্তিয়ে সেৱাৰত থকা প্ৰাৰ্থীসকলক প্ৰভাৱিত কৰে। আমি ইয়াৰ ভিতৰলৈ যাব নোৱাৰো কাৰণ এইটো এই ক্ষেত্ৰত বিষয়বস্তু নহয়। এই পৰিস্থিতিত, আগতে কোৱাৰ দৰে, প্ৰশ্নটো হ'লঃ ন্যায়াধিকৰণে পদ এটা সৃষ্টি কৰিবলৈ নিৰ্দেশনা দিব পাৰেনে অথবা পদটোৰ বাবে নিম্নতম অৰ্হতা নিৰ্ধাৰণ কৰিব পাৰেনে ? এইটো সুপ্ৰতিষ্ঠিত আইনী স্থিতি যে এটা পদ সৃষ্টি কৰা বা পদটোৰ বাবে অৰ্হতা নিৰ্ধাৰণ কৰাটো চৰকাৰৰ আইনী বা কাৰ্যবাহী নীতি। আদালত বা ন্যায়াধিকৰণৰ এনে নিৰ্দেশনা দিয়াৰ ক্ষমতা নাই। সেয়েহে বিতৰ্কিত নিৰ্দেশনাটো স্পষ্টভাৱে অবৈধ।

সেই অনুসৰি আপীলসমূহ মঞ্জুৰ কৰা হল। কিন্তু পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ব্যয় সম্পৰ্কত কোনো আদেশ দিয়া নাই।

আৰ. পি. আপীলসমূহ মঞ্জুৰ কৰা হৈছে।

অনুবাদকঃ পাৰ্থ প্ৰতীম গোস্বামী

মুখ্য অনুবাদক , অনুবাদ শাখা ,

গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।“